# REGIONAL NEWS UNIT

AKASHVANI :: GUWAHATI

0000000000

**Date : 28-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::::::::::::::::::::::::::::**

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত  বিশিষ্ট ব্যক্তিসকলক পদ্ম বঁটাসমূহ প্ৰদান কৰে। দেশৰ অন্যতম সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটা- পদ্ম বিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী এই তিনিটা পৰ্যায়ত প্ৰদান কৰা হয়। বিশিষ্ট ভায়লিনবাদক তথা সুৰকাৰ ড০ এল সুব্ৰমনিয়ম আৰু গেষ্ট্ৰ'এণ্ট্ৰ'লজিষ্ট ডাঃ নাগেশ্বৰ ৰেড্ডীক পদ্ম বিভূষণ বঁটা প্ৰদান কৰা হয়। বিশিষ্ট জাপানী উদ্যোগপতি তথা চুঝুকী মটৰ কৰ্পৰেশ্বনৰ অধ্যক্ষ ওচামা চুঝুকীলৈ মৰনোত্তৰভাৱে পদ্মবিভূষণ বঁটা আগবঢ়োৱা হয়। পদ্মভূষণ বঁটা লাভ কৰা বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত বিশিষ্ট সম্পাদক আৰু প্ৰচাৰ ভাৰতীৰ প্ৰাক্তন অধ্যক্ষ এ সূৰ্য প্ৰকাশ, চলচ্চিত্ৰ অভিনেতা অনন্ত নাগ, নন্দামুৰী বালাকৃষ্ণ আৰু এছ্ অজিত কুমাৰ, বোলছবি নিৰ্মাতা শেখৰ কাপুৰ আৰু ভাৰত নাট্যম নৃত্যশিল্পী শ্ব'বনা চন্দ্ৰকুমাৰ, ভাৰতীয় হকী দলৰ প্ৰাক্তন অধিনায়ক পি আৰ সৃজেশ অন্যতম। বিশিষ্ট গজল গায়ক পংকজ উধাছ্‌ক মৰণোত্তৰভাৱে প্ৰদান কৰা এই বঁটা তেওঁৰ পত্নীয়ে গ্ৰহণ কৰে। ক্ৰিকেটাৰ ৰবিচন্দ্ৰন অশ্বীন, এছ্ বি আইৰ প্ৰাক্তন অধ্যক্ষ অৰুন্ধতি ভট্টাচাৰ্য্যলৈ পদ্মশ্ৰী বঁটা আগবঢ়োৱা হয়। অসমৰ সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙণিৰ বাবে অনিল কুমাৰ বড়ো আৰু ডিমা হাচাও জিলাৰ প্ৰবীণ লোকসংগীত শিল্পী জয়নাচৰণ বাথাৰীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হয়। পদ্মভূষণ বঁটা লাভ কৰা সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক নৃত্যাচাৰ্য যতীন গোস্বামীক পৰৱৰ্ত্তী পৰ্যায়ত এই বঁটা প্ৰদান কৰা হ'ব।

০০০০০

পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ দুটা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ডং হিমন্ত বিশ্ব শৰ্মাই আজি বিশ্বনাথ, শোণিতপুৰ আৰু নগাঁৱত প্ৰচাৰ সভাত অংশ লয়। জনসাধাৰণক উদ্দেশ্যি দিয়া ভাষণত দলটোৱে জনসাধাৰণৰ কল্যাণৰ হকে কাম কৰি যাব বুলি তেওঁ প্ৰতিশ্ৰুতি দিয়ে।

বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড় জিলাৰ টিংখং, নাহৰকটীয়াৰ উপৰি দুলীয়াজানৰ ঘাঁহী ফুকনবাৰীত আয়োজিত জনসভাত অংশ লয়। তেওঁ বিকাশৰ অনিৰুদ্ধ গতি ত্বৰান্বিত কৰাৰ বাবে বিজেপিৰ প্ৰাৰ্থীক জয়ী কৰিবলৈ আহ্বান জনায়।

কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই আজি ৰঙানদী সমষ্টিৰ বিভিন্ন স্থানত প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। সাংসদ গৌৰৱ গগৈয়ে যোৰহাট জিলাৰ বিভিন্ন স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে।

ooooo

গুৱাহাটীৰ ইন্দিৰা গান্ধী এথলেটিক ষ্টেডিয়ামত অনুষ্ঠিত দ্বাদশ ছিনিয়ৰ নেচনেল ৰাগবি ছেম্পিয়নশ্বিপৰ সামৰণি অনুষ্ঠানত আজি ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই অংশ গ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ দি ৰাজ্যপালগৰাকীয়ে এই প্ৰতিযোগিতাৰ প্ৰশংসা কৰি ৰাগবি খেলক যুৱ শক্তি, নিয়মানুৱৰ্তিতা, দলীয় কাৰ্য আৰু সমৰ্পনৰ শক্তিশালী প্ৰদৰ্শন বুলি উল্লেখ কৰে। শ্ৰীআচাৰ্যই এনেধৰণৰ ক্ৰীড়াৰ উপকাৰিতাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি কয়, যে ৰাগবিৰ দৰে খেলে কৌশলগত চিন্তা, দলীয় সহযোগিতা আদিৰ দৰে গুণৰ বিকাশ ঘটাই ক্ৰীড়া আৰু ব্যক্তিগত জীৱন দুয়ো ক্ষেত্ৰতে আগবাঢ়ি যোৱাত সহায় কৰে। ৰাজ্যপালগৰাকীয়ে অসম চৰকাৰে ক্ৰীড়াৰ প্ৰসাৰৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকা সন্দৰ্ভত আলোকপাত কৰি কয়, যে খেল মহাৰণ প্ৰতিযোগিতা, গ্ৰাম্য প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন, নতুন ষ্টেডিয়াম আৰু এথলীটসকলৰ প্ৰতি বিত্তীয় সাহায্য আদিৰ দৰে পদক্ষেপসমূহে গ্ৰাম্য প্ৰতিভাসমূহক ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ যোৱাত অৰিহণা যোগাইছে। তেওঁ এই প্ৰতিযোগিতাত অংশগ্ৰহণকাৰীসকলক জয় আৰু পৰাজয় উভয়কে একোটা অভিজ্ঞতা হিচাপে আকোৱালি ল'বলৈ উৎসাহিত কৰে। তেওঁ লগতে এই প্ৰতিযোগিতা আয়োজন কৰাৰ বাবে ৰাগবি ইণ্ডিয়া আৰু অসম ৰাগবি এছোছিয়েছনৰ শলাগ লয়।

ooooo

লোক নিৰ্মাণ বিভাগৰ উজনি অসমৰ ঠিকাদাৰ সন্থাই আজি ঠিকাদাৰসকলৰ পঞ্জীয়ন নৱীকৰণ মাচুল বৃদ্ধিৰ বাবে চৰকাৰে দিয়া নিৰ্দেশ বাতিল কৰিবলৈ অনুৰোধ জনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক এখন স্মাৰক পত্ৰ দিয়ে। ঠিকাদাৰ সন্থাই মুখ্যমন্ত্ৰীৰ ডিব্ৰুগড় ভ্ৰমণৰ সময়ত তেওঁক সাক্ষাৎ কৰি এই সিদ্ধান্ত বাতিল কৰি তেওঁলোকক সহযোগ কৰিবলৈ অনুৰোধ জনায়। ড° শৰ্মাই এই সিদ্ধান্ত পুনৰ বিবেচনা কৰা হব বুলি আশ্বাস দিয়ে।

ooooo

টাইমছ্‌ হায়াৰ এডুকেচনে প্ৰকাশ কৰা বিশ্বৰ বিশ্ববিদ্যালয়সমূহৰ ৰেংকিঙৰ তালিকাত গুৱাহাটী বিশ্ববিদ্যালয়ে বিশ্ব মানৰ প্ৰদৰ্শনৰে বিশেষ স্থান প্ৰাপ্ত কৰিছে। বিশ্ববিদ্যালয়খনে তালিকাৰ ১৫০০ খন আন্তঃৰাষ্ট্ৰীয় ব্ৰেণ্ডৰ শিক্ষানুষ্ঠানৰ ভিতৰত স্থান পাবলৈ সমৰ্থ হৈছে। উত্তৰ-পূব ভাৰতৰ সবাতোকৈ পুৰণি বিশ্ববিদ্যালয়খনে দেশৰ উচ্চ শিক্ষানুষ্ঠানসমূহৰ ভিতৰত ৪৮ সংখ্যক স্থান দখল কৰিবলৈ সমৰ্থ হৈছে। উত্তৰ-পূবৰ ভিতৰত বিশ্ববিদ্যালয়খনে সৰ্বোচ্চ স্থান দখল কৰিছে।

ooooo

আই পি এল ক্রিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছ্ৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে-ৰাজস্থান ৰয়েলছক জয়ৰ বাবে ২১০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। গুজৰাট টাইটানছে প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত ২০ অভাৰত  ৪ টা উইকেটৰ বিনিময়ত ২০৯ ৰাণ কৰে। দলৰ হৈ শুভমন গীলে ৮৪, যশ ৱাটলাৰে ৫০ আৰু সাই সুদৰ্শনে ৩৯ ৰাণ কৰে। ৰাজস্থানৰ হৈ মহেশ থিকচানাই ২ টা আৰু জফ্ৰা আৰ্ছাৰ আৰু সন্দীপ শৰ্মাই এটাকৈ উইকেট দখল কৰে।

ooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ